# REGIONEL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 13-06-2025 **Time :** 1205 Hrs.

***Assamese Midday Bulletin***

অসমৰ ৰাজ্যসভাৰ দুয়োখন আসনতে এন ডি এৰ প্ৰাৰ্থীয়ে বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয় লাভ কৰিছে। ৰাজ্যসভাৰ খালী হোৱা আসন দুখনৰ বিপৰীতে অগপৰ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ কনাড পুৰকায়স্থই মনোনয়ন দাখিল কৰিছিল। এই আসন দুখনৰ বাবে বিৰোধীয়ে কোনো প্ৰাৰ্থী প্ৰক্ষেপ নকৰাত কালি মনোনয়ন প্ৰত্যাহাৰৰ অন্তিম দিনা দুয়োগৰাকী প্ৰাৰ্থীকে জয়ী হোৱা বুলি ৰাজ্যসভাৰ নিৰ্বাচনী বিষয়াই ঘোষণা কৰে। অসম বিধানসভাৰ প্ৰাংগণত থকা ৰাজ্যসভা নিৰ্বাচন পৰিচালন কাৰ্যালয়ৰ পৰা দুয়োগৰাকী প্ৰাৰ্থীয়ে কালি আনুষ্ঠানিকভাৱে জয়ৰ প্ৰমাণ পত্ৰ গ্ৰহণ কৰে। উল্লেখযোগ্য যে কাইলৈ ১৪ জুনত বীৰেন্দ্ৰ প্ৰসাদ বৈশ্য আৰু বিজেপিৰ সাংসদ মিছনৰঞ্জন দাসৰ কাৰ্য্যকাল ওকলি যাব।

০০০০০০

ৰাজ্যৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ুৰ প্ৰতি লক্ষ্য ৰাখি শিক্ষা বিভাগে শিক্ষাবৰ্ষৰ দিন সলনি কৰিবলৈ চিন্তা-চৰ্চা কৰিছে বুলি শিক্ষামন্ত্ৰীয়ে ঘোষণা কৰিছে। পূৰ্বে অসমত জানুৱাৰীত আৰম্ভ হোৱা শিক্ষাবৰ্ষ কেন্দ্ৰীয় শিক্ষা ব'ৰ্ডৰ নীতি অনুযায়ী এপ্ৰিলৰ পৰা আৰম্ভ কৰাৰ সিদ্ধান্ত লোৱা হৈছিল যদিও শেহতীয়াকৈ ৰাজ্যখনৰ ভৌগোলিক পৰিৱেশ আৰু জলবায়ু পৰিৱৰ্তনৰ প্ৰতি লক্ষ্য ৰাখি পুনৰ পূৰ্বৰ শিক্ষাবৰ্ষ আৰম্ভ কৰাৰ বিষয়ে চিন্তা-চৰ্চা কৰা হৈছে। শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগুৱে কালি এই সন্দৰ্ভত সংবাদ মাধ্যমৰ আগত কয়, যে ইতিমধ্যে শিক্ষা বিভাগে ৰাজ্যৰ শিক্ষাবিদসকলক লৈ এখন কমিটী গঠনৰ কাৰণে আগবাঢ়িছে। এই কমিটীখনে দাখিল কৰা প্ৰতিবেদনৰ ভিত্তিত পৰৱৰ্তী কাৰ্যপন্থা নিৰ্ধাৰণ কৰা হ'ব।

০০০০০০

শ্ৰীলংকাৰ কলম্বোত ভাৰতীয় উচ্চায়োগৰ স্বামী বিবেকানন্দ সাংস্কৃতিক কেন্দ্ৰৰ উদ্যোগত মহাপুৰুষ মাধৱদেৱৰ ৫৩৬ সংখ্যক আবিৰ্ভাৱ মহোৎসৱ কালি প্ৰথমবাৰৰ বাবে উদযাপন কৰা হয়। দিনজোৰা কাৰ্যসূচীৰে পালন কৰা এই অনুষ্ঠানত মহাপুৰুষজনাৰ এটি বৰগীত সিংহলী ভাষালৈ অনুবাদ কৰি পৰিৱেশন কৰা হয়। কেন্দ্ৰটোৰ পৰিচালক আৰু প্ৰথম গৰাকী সঞ্চালক, অধ্যাপক অংকুৰণ দত্তৰ উদ্যোগ আৰু পৰিকল্পনাত অধ্যাপক উপুল ৰঞ্জিতে হেৱাৰিটানগমগেয়ে সিংহলী ভাষালৈ অনুবাদ কৰা ‘উঠৰে উঠ বাপু গোপাল হে’ বৰগীতটো অচিথ আট্টাপাট্টুৱে পৰিৱেশন কৰে। আবিৰ্ভাৱ মহোৎসৱৰ উপলক্ষে শ্ৰী জয়বৰ্ধনপুৰা বিশ্ববিদ্যালয়ৰ অধ্যাপক গামিনী ৰাণাসিংহই অসমীয়া সমাজৰ আধ্যাত্মিকতাৰ কেন্দ্ৰ হিচাপে নামঘৰ আৰু ইয়াৰ স্থপতি শ্ৰীমন্ত শংকৰদেৱ আৰু শ্ৰীশ্ৰী মাধৱদেৱৰ অৱদানৰ বিষয়ে ভাষণ দিয়ে। এই অনুষ্ঠানত শ্ৰীলংকাৰ ৰাষ্ট্ৰীয় সংগ্ৰহালয়ৰ শৈক্ষিক বিষয়া সঞ্জীৱনী বিদ্যাৰত্নই মাজুলীৰ সত্ৰ সংস্কৃতিৰ বিষয়ে তেওঁৰ অভিজ্ঞতা ব্যক্ত কৰে। উল্লেখযোগ্য যে শেহতীয়াকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ শ্ৰীলংকা ভ্ৰমণ কালত মহাপুৰুষ দুজনাৰ সিংহলী ভাষাত বাণীবদ্ধ কৰা দুটি বৰগীত অধ্যাপক অংকুৰণ দত্তই প্ৰদৰ্শন কৰিছিল। বিগত ৫ শতিকাত মহাপুৰুষ মাধৱদেৱৰ প্ৰথমটো বৰগীত এই পদক্ষেপৰ জৰিয়তে কোনো বিদেশী ভাষালৈ অনুবাদ তথা পৰিৱেশন কৰা হয়।

০০০০০০

শিৱসাগৰ জিলাৰ ভটিয়াপাৰ বাৰীচুকত অৱস্থিত তেল আৰু প্ৰাকৃতিক গেছ্ নিগম লিমিটেডৰ অধীনৰ ৰিগত কালি সংঘটিত গেছ্ নিৰ্গমনৰ ঘটনা নিয়ন্ত্ৰণ কৰাৰ বাবে জিলা প্ৰশাসন আৰু অ' এন জি চিৰ সন্মিলিত প্ৰচেষ্টা অব্যাহত আছে। জিলা আয়ুক্তৰ নিৰীক্ষণত জিলা প্ৰশাসন, অ' এন জি চি আৰু বিভিন্ন সুৰক্ষা সংস্থাৰ সহযোগত পৰিস্থিতি নিয়ন্ত্ৰণ আৰু স্বাভাৱিক অৱস্থাত ঘূৰাই অনাৰ বাবে কেতবোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে। নাগৰিকৰ নিৰাপত্তা নিশ্চিত কৰা আৰু গেছ্ নিৰ্গমন এলেকাৰ পৰা নিৰাপদ দূৰত্ব বজাই ৰাখিবলৈ জিলা প্ৰশাসনে সতৰ্কতা জাৰি কৰিছে। এই উদ্দেশ্যে ৭০ টা পৰিয়ালক স্থানান্তৰ কৰি বনগাঁৱৰ সাহায্য শিবিৰত আশ্ৰয় দিয়া হৈছে। গেছ্ নিৰ্গমন এলেকাটোত পহৰাৰ বাবে আৰক্ষী দল নিয়োজন কৰা হৈছে। চিকিৎসক আৰু এম্বুলেন্সৰ দল সাজু কৰি ৰখাৰ লগতে ঘটনাস্থলীত এছ্ ডি আৰ এফ আৰু এন ডি আৰ এফ বাহিনী নিয়োজন কৰা হৈছে।

০০০০০০

ডিব্ৰুগড় জিলাৰ টেঙাখাত অঞ্চলৰ বান আৰু গৰাখহনীয়াৰ স্থায়ী সমাধান তথা মথাউৰি পুনৰনিৰ্মাণৰ দাবীত আজি ৩ ঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰা হৈছে। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ ডিব্ৰুগড় জিলা টেঙাখাট আঞ্চলিক সমিতিৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ণ কৰা হয়। পাছত সমিতিৰ প্ৰতিনিধি সকলে ধৰ্মঘটস্থলীত উপস্থিত হোৱা টেঙাখাট ৰাজহচক্ৰ বিষয়াৰ জৰিয়তে মুখ্যমন্ত্ৰীলৈ স্মাৰক পত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে ডিব্ৰুগড় জিলাৰ অন্তৰ্গত টেঙাখাট অঞ্চলৰ ৰাজহ চক্ৰৰ অধীনৰ বৃহত্তৰ এলেকাৰ জনসাধাৰণক বুঢ়ি দিহিং নদীৰ পাৰৰ গৰাখহনীয়া আৰু বানে ক্ষতি কৰি আহিছে।

০০০০০০

লখিমপুৰ জিলাৰ বিভিন্ন স্থানত কালি বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱস পালন কৰা হয়। এই বৰ্ষৰ বিশ্ব শিশু শ্ৰমিক বিৰোধী দিৱসৰ মূল বিষয়বস্তু হৈছে- প্ৰগতি স্পষ্ট, কিন্তু আৰু কৰিবলগীয়া আছে, প্ৰচেষ্টা ক্ষীপ্ৰ কৰো আহক। জিলাখনৰ বিভিন্ন স্থানত বিশেষকৈ দোকান, বজাৰ, ধৰ্মীয় অনুষ্ঠান আদিত শিশু শ্ৰমিক বিৰোধীতাৰে সজাগতা সভা অনুষ্ঠিত হয়।

০০০০০০

ধুবুৰী লোকসভা সমষ্টিৰ সাংসদ ৰকিবুল হুছেইনে কালি ধুবুৰী আৱৰ্ত ভৱনত উপস্থিত হৈ ধুবুৰী জিলাৰ বিভিন্ন ঠাইত সাংসদ পুঁজিৰ ধনেৰে নিৰ্মিত কামকাজৰ পৰ্যালোচনা কৰে। তেওঁ জিলাখনৰ খহনীয়া প্ৰতিৰোধ আৰু বান নিয়ন্ত্ৰণ কৰাৰ লগতে সমগ্ৰ অসমৰে বান সমস্যা ৰাষ্ট্ৰীয় সমস্যা বুলি স্বীকৃতি দি ইয়াৰ সমাধানৰ বাবে প্ৰচেষ্টা চলাবলৈ চৰকাৰক আহ্বান জনায়। সাংসদ হুছেইনে কালি ধুবুৰী আৱৰ্ত ভৱনত ধুবুৰী জিলাৰ ক্ৰীড়া ক্ষেত্ৰ উন্নয়নৰ বাবে ক্ৰীড়া সন্থাৰ বিষয়ববীয়াসকলৰ সৈতে এখন বৈঠকত মিলিত হয়।

০০০০০০

সমাপ্ত